**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-03-2025
**Time :** 0705  Hrs

***Assamese Morning Bulletin***
***Headlines***

১।	ভাৰত আৰু মৰিচাছে দেশ দুখনৰ মাজৰ কৌশলগত সহযোগিতা উন্নীত কৰাৰ উদ্দেশ্যে ৮ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

২।	কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব।

৩।	বৈমানিক উন্নয়ন সংস্থাই লঘু যুঁজাৰু বিমান তেজছৰ পৰা আকাশমাৰ্গৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা অস্ত্ৰ ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে।

৪।	২০৩০ চনৰ ভিতৰত দেশত ৬-জি সেৱা উপলব্ধ হোৱাৰ সম্ভাৱনা আছে।

**আৰু**

৫।	লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ভাৰত আৰু মৰিচাছে দেশ দুখনৰ মাজৰ কৌশলগত সহযোগিতা উন্নীত কৰাৰ উদ্দেশ্যে  স্থানীয় মুদ্ৰাৰে বন্দোবস্তি ব্যৱস্থা, ঋণ সুবিধা, কূটনীতিবিদসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী, অসামৰিক বাণিজ্যিক মালবাহী জাহাজৰ আহ-যাহ আৰু পৰিচয় সম্পৰ্কীয় তথ্যৰ আদান-প্ৰদান, বিত্তীয় অপৰাধ প্ৰতিহতকৰণ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া কোম্পানী ক্ষেত্ৰৰ সহযোগিতা, সু-শাসনৰ বাবে চৰকাৰী বিষয়াৰ প্ৰশিক্ষণ সম্পৰ্কীয় ৮ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী নবীচন্দ্ৰ ৰামগুলামৰ মাজত কালি হোৱা প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত এই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে দুদিনীয়া মৰিচাছ ভ্ৰমণৰ কালি অন্তিম দিনা  মৰিচাচৰ শ্বা দে মাৰ্চত আয়োজিত ৰাষ্ট্ৰীয় দিৱস উদ্‌যাপন কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মৰিচাচৰ ৰাষ্ট্ৰপতি ধৰমবীৰ গখুলে শ্ৰীমোদীক ভাৰত-মৰিচাচ অংশীদাৰিত্বৰ ক্ষেত্ৰত তেওঁৰ অনবদ্য অৱদানৰ বাবে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান Grand Commander of the Order of the Star and Key of the Indian Ocean-G.C.S.K. প্ৰদান কৰে। মৰিচাচৰ সৰ্বোচ্চ অসামৰিক সন্মান G.C.S.K. লাভ কৰা প্ৰধানমন্ত্ৰী মোদীয়েই হৈছে প্ৰথমগৰাকী ভাৰতীয়। মৰিচাচৰ ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীৰ কুছকাৱাজত নৌসেনাৰ এটি দলে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাচৰ পৱিত্ৰ গংগা তালাও দৰ্শন কৰি প্ৰাৰ্থনা কৰাৰ লগতে প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাৰ ত্ৰিবেনী সংগমৰ পৰা লৈ যোৱা পৱিত্ৰ জলো তালাওত অৰ্পন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মৰিচাছক সফল ভ্ৰমণ সামৰি ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব। অসম ভ্ৰমণকালত শ্ৰীশ্বাহে নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ বাৰ্ষিক সন্মিলনসহ কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী শ্বাহে পৰহিলৈ ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখাওছুঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখাওছুঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব আৰু সন্ধিয়া গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে নতুন ফৌজদাৰী আইন তিনিখনৰ সন্দৰ্ভত বৈঠকত মিলিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰৰ কাৰ্যসূচী সামৰি ১৬ মাৰ্চৰ বিয়লি তেওঁ নতুন দিল্লীলৈ বুলি উভতি যাব।

০০০০০

বৈমানিক উন্নয়ন সংস্থাই লঘু যুঁজাৰু বিমান তেজছৰ পৰা আকাশমাৰ্গৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা অস্ত্ৰ ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰা বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কালি ওড়িশাৰ ছান্দিপুৰ উপকূলৰ পৰা এই পৰীক্ষা সম্পন্ন কৰা হয়।

পৰীক্ষণ কালত ক্ষেপনাস্ত্ৰবিধে আকাশমাৰ্গৰ লক্ষ্যত নিখুঁটভাৱে আঘাট হানে আৰু উপপ্ৰণালীসমূহে অভিযানৰ মান আৰু উদ্দেশ্য পূৰণ কৰে। প্ৰতিৰক্ষা গৱেষণা আৰু  বিকাশ সংস্থা ডি আৰ ডি অ'ই বিকশাই তোলা এই ক্ষেপনাস্ত্ৰবিধ ১০০ কিলোমিটাৰৰো অধিক দূৰত্বৰ পৰা লক্ষ্যত আঘাট হানিবলৈ সক্ষম আৰু উন্নত দিক নিৰ্ণয় সমৰ্থৰে সুসজ্জিত। ক্ষেপনাস্ত্ৰবিধ ইতিমধ্যে বায়ুসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। এই পৰীক্ষা লঘু যুঁজাৰু বিমান তেজছৰ এম কে এ-ওৱান শ্ৰেণীত ক্ষেপনাস্ত্ৰবিধ অন্তৰ্ভুক্ত কৰাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ', বায়ুসেনা, বৈমানিক উন্নয়ন সংস্থা, হিন্দুস্তান এৰোনেটিক্স লিমিটেড আৰু পৰীক্ষণ প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাইছে।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু প্ৰযুক্তি তথা ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় বজাৰত প্ৰৱেশ কৰিবলৈ সাজু হোৱা স্পেচ এক্সৰ ষ্টাৰলিংকক আদৰণি জনাইছে। সামাজিক মাধ্যমযোগে মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰত্যন্ত অঞ্চলৰ ৰেল প্ৰকল্পসমূহৰ বাবে ষ্টাৰলিংক যথেষ্ট উপযোগী হ'ব। দেশৰ  আগশাৰীৰ দুটাকৈ দূৰসংযোগ প্ৰতিষ্ঠান ষ্টাৰলিংকৰ ইণ্টাৰনেট সেৱাৰ বাবে স্পেচএক্সৰ সৈতে অংশীদাৰিত্ব ঘোষণা কৰাৰ সময়তে মন্ত্ৰীগৰাকীৰ এই মন্তব্য গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।

০০০০০

যোগাযোগ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড০ পেম্মাছানী চন্দ্ৰশেখৰ প্ৰকাশ কৰিছে যে আন্তৰ্জাতিক পৰ্যায়ত ৬-জি প্ৰযুক্তিৰ বিকাশৰ কাম চলি আছে আৰু ২০৩০ বৰ্ষৰ ভিতৰত এই সুবিধা উপলব্ধ হোৱাৰ আশা কৰা হৈছে। লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩ বৰ্ষৰ মাৰ্চ মাহত ভাৰতবৰ্ষৰ ৬-জি ভিজন ডকুমেণ্ট প্ৰকাশ কৰিছিল, যাৰ জৰিয়তে ২০৩০ চনলৈ

৬-জি সেৱাৰ আৰ্হি, বিকাশ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতবৰ্ষক অন্য দিশে প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰা হৈছে। তেওঁ লগতে প্ৰকাশ কৰে যে দূৰ সংযোগ বিভাগে ঘৰুৱা উদ্যোগ, শিক্ষাবিদ, ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠান আৰু মান সংস্থাসমূহৰ সৈতে লগ লাগি ভাৰত ৬-জি জোট গঠনৰ পথ প্ৰশস্ত কৰিছে।

ooooo

দেশৰ শিক্ষা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰীৰ যুৱ লেখকসকলৰ মাৰ্গদৰ্শনৰ আঁচনি প্ৰধানমন্ত্ৰী যুৱা আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনৰ লেখকসকলৰ বাবে সৰ্বভাৰতীয় প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ১০ এপ্ৰিললৈ মাই গভ ৱেবছাইটত আয়োজিত এই প্ৰতিযোগিতাৰ মাধ্যমেৰে ৫০গৰাকী যুৱ লেখকক বাছি উলিওৱা হ'ব। আঁচনিখনৰ জৰিয়তে দেশত পঢ়া, লেখা আৰু গ্ৰন্থ সংস্কৃতিৰ প্ৰসাৰৰ লক্ষ্য লোৱা হৈছে। গ্ৰহণ কৰা প্ৰস্তাৱসমূহ উচ্চ শিক্ষা বিভাগে অহা এপ্ৰিল মাহত মূল্যায়ন কৰিব। আঁচনিখনৰ অধীনত নিৰ্বাচিত ৩০ বছৰ অনূৰ্দ্ধৰ লেখকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।

ooooo

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাই সোমবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত গ্ল'বেল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

ooooo

মহিলা প্ৰিমিয়াৰ লীগৰ এলিমিনেটৰ খেলখনত আজি মুম্বাই ইণ্ডিয়ানছ-গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। পইণ্ট তালিকাৰ শীৰ্ষত থকা দেলহী কেপিটেলছে ইতিমধ্যে ফাইনেলত প্ৰৱেশ কৰিছে। তালিকাৰ দ্বিতীয় স্থানৰ মুম্বাই ইণ্ডিয়ানছ আৰু তৃতীয় স্থানত থকা গুজৰাট জায়েণ্টছে কাইলৈ এলিমিনেটৰ খেলখনৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাব। অহা ১৫ মাৰ্চত একেই ষ্টেডিয়ামতে মহিলা প্ৰিমিয়াৰ লীগৰ ফাইনেল খেলখন খেলোৱা হ'ব।

ooooo

সমাপ্ত